# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 22-01-2025
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***

**:::::::::::::::::::::::::::::::**

১। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ জাপানৰ অৰ্থনীতি, বাণিজ্য আৰু উদ্যোগমন্ত্ৰী কোগা য়ুইচিৰোৰ লগতে দেশখনৰ উদ্যোগ আৰু ব্যৱসায়িক ক্ষেত্ৰৰ কাণ্ডাৰীসকলক সাক্ষাৎ।

২। অসম বিধানসভাৰ বাজেট অধিবেশন ১৭ ফেব্ৰুৱাৰীত আৰম্ভ।

৩। বজালী জিলাৰ পাঠশালা নগৰৰ ভট্টদেৱ ক্ষেত্ৰত ৩১ জানুৱাৰীৰ পৰা অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম পূৰ্ণাঙ্গ অধিবেশন।

৪। ৰাজ্যৰ ৩৫৪ খন চাহ বাগিছা চিকিৎসালয়ক আয়ুষ্মান আৰোগ্য মন্দিৰলৈ উন্নীতকৰণৰ বাবে অসম চৰকাৰ আৰু চাহ বাগিছা কৰ্তৃপক্ষৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰ। ***আৰু***

৫। কলকাতাৰ ইডেন গাৰ্ডেনছত ভাৰত আৰু ইংলেণ্ডৰ মাজৰ ৫ খনীয়া টি টুৱেণ্টি শৃংখলাৰ প্ৰথমখন খেল। টছত জিকি ভাৰতৰ প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত।

০০০০

অসমে সৰলতা, স্বচ্ছতা আৰু দক্ষতা এই তিনিটা বুনিয়াদৰ আধাৰত ব্যৱসায়ীসকলক ৰাজ্যত বিনিয়োগ কৰিবলৈ আহ্বান জনাই আহিছে। জাপানত আজি এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বিষয়ে প্ৰচাৰ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে এই নীতি অনুসৰণ কৰিয়েই ৰাজ্য চৰকাৰে নতুন যুগৰ উদ্যোগসমূহক ভেঁটি স্থাপন কৰিবলৈ উৎসাহিত কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বিস্তৃত প্ৰসাৰ আৰু এই পদক্ষেপত বহিঃৰাষ্ট্ৰৰ পৰা সহযোগিতা লাভৰ উদ্দেশ্যে আজি জাপানৰ অৰ্থনীতি, বাণিজ্য আৰু উদ্যোগমন্ত্ৰী কোগা য়ুইচিৰোক সাক্ষাৎ কৰে। এই সাক্ষাৎকালত মুখ্যমন্ত্ৰীয়ে জাপানী প্ৰতিষ্ঠানৰ দ্বাৰা ব্যৱসায়িক উদ্যান স্থাপনৰ বাবে অসমৰ প্ৰস্তুতি সম্পৰ্কত আলোচনা কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই জাপান চৰকাৰৰ কাৰিকৰী শিক্ষানবীছ প্ৰশিক্ষণ আৰু নিৰ্দিষ্ট দক্ষতা কৰ্মী কাৰ্যসূচীৰ বাবে পৰীক্ষা কেন্দ্ৰ স্থাপনৰ বিষয়ে বিবেচনা কৰিবলৈ অনুৰোধ জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে এটা ৰোড শ্ব'ত অংশ লৈ দেশখনৰ আগশাৰীৰ উদ্যোগ আৰু ব্যৱসায় জগতৰ কাণ্ডাৰীসকলৰ সৈতে মত বিনিময় কৰে। এই মত বিনিময়ত মুখ্যমন্ত্ৰীয়ে অসমৰ আকৰ্ষণীয় অৰ্থনৈতিক বিকাশ আৰু ব্যৱসায়ৰ সূচলতা সন্দৰ্ভত আলোকপাত কৰে। ভাৰত-জাপান সম্পৰ্কত অসমৰ বিশেষ ভূমিকাক গুৰুত্ব প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে ২০১৪ চনৰ তুলনাত অসমে অহা বছৰৰ ভিতৰত ইয়াৰ অৰ্থনীতি তিনিগুণ বৃদ্ধি কৰিবলৈ আগবাঢ়িছে। তেওঁ কয়, যে অসমৰ ফুলবৰীত নিৰ্মীয়মান দেশৰ দীৰ্ঘতম নদী দলঙখনো জাপানৰ সহায়ত কৰা হৈছে। একেটা

স্থানতে সকলো ধৰণৰ অনুমোদন লাভৰ একক উইণ্ডো ব্যৱস্থা আৰু ৩শ কোটি আমেৰিকান ডলাৰৰ উৎপাদন সংযোজনে অসমক বিনিয়োগৰ সুযোগৰ দিশত উজলাই তুলিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

০০০০

অসম বিধানসভাৰ মাহজোৰা বাজেট অধিৱেশন ১৭ ফেব্ৰুৱাৰীত আৰম্ভ হ'ব। এইবাৰৰ বাজেট অধিৱেশনত মুঠ ১৪টা কৰ্মদিন থাকিব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে অধিৱেশনৰ প্ৰথম দিনৰ কাৰ্যসূচী কোকৰাঝাৰত অনুষ্ঠিত হ'ব। ১৮ ফেব্ৰুৱাৰীত সদনৰ কাম-কাজ নাথাকিব। ১৯ ফেব্ৰুৱাৰীৰ পৰা বাজেট অধিৱেশনৰ পৰৱৰ্তী কাৰ্যসূচী দিছপুৰৰ অসম বিধানসভা ভৱনত অনুষ্ঠিত হ'ব। ১৯ ফেব্ৰুৱাৰীত ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ উত্থাপন কৰা হ'ব। ১০ মাৰ্চত বিত্ত মন্ত্ৰী অজন্তা নেওগে ৰাজ্যখনৰ ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেট উত্থাপন কৰিব। ১১ আৰু ১২ মাৰ্চত সদনত বাজেট বিতৰ্ক অনুষ্ঠিত হ'ব। ১৩ মাৰ্চৰ পৰা ২০ মাৰ্চলৈ বাজেট অধিৱেশন বিৰতিত থাকিব। ২৪ মাৰ্চত বিত্ত মন্ত্ৰীয়ে ২০২৫-২৬ বৰ্ষৰ বাবে দাবী মঞ্জুৰি প্ৰস্তাৱ উত্থাপন কৰিব আৰু অসম বিনিয়োজন বিধেয়ক ২০২৫ উত্থাপন কৰিব। ২৫ মাৰ্চত সদনৰ বাজেট অধিৱেশনৰ সামৰণি পৰিব। উল্লেখযোগ্য যে কোকৰাঝাৰত হ'বলগীয়া অধিৱেশনৰ প্ৰথম দিনা বিধানসভাৰ অধ্যক্ষ বিশ্বজিত দৈমাৰীৰ উদ্যোগত অসমৰ ষষ্ঠ অনুসূচীৰ অন্তৰ্গত অঞ্চলসমূহৰ আৰ্থ সামাজিক আৰু সামগ্ৰিক উন্নয়ন বিষয়ক আলোচনা অনুষ্ঠিত হ'ব।

০০০০

অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম পূৰ্ণাংগ অধিৱেশনখন অহা ৩১ জানুৱাৰীৰ পৰা ৪ ফেব্ৰুৱাৰীলৈ বজালী জিলাৰ পাঠশালা নগৰৰ ভট্টদেৱ ক্ষেত্ৰত অনুষ্ঠিত হ'ব। আজি অসম সাহিত্য সভাৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনত আয়োজিত এখন সংবাদমেলত অধিৱেশনৰ প্ৰস্তুতি সন্দৰ্ভত পাঠশালা অধিৱেশনৰ প্ৰচাৰ উপ-সমিতিৰ সভাপতি তথা প্ৰাক্তন বিধায়ক মনোৰঞ্জন দাসে কয়, যে অধিৱেশনৰ প্ৰথম দিনা পুৱা নামঘৰৰ দ্বাৰ মুকলি, ভট্টদেৱ ক্ষেত্ৰ আৰু মূল তোৰণ উদ্বোধন, ভট্টদেৱৰ কথা সাহিত্য বিষয়ক লৈ সাহিত্য আলোচনা, মে-ডাম-মে-ফি উদযাপন, প্ৰতিনিধি শিবিৰ মুকলি আদি কাৰ্যসূচী অনুষ্ঠিত হ'ব। বিয়লি অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সভা আৰু সন্ধিয়ালৈ সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হ'ব।

**বাইট (মনোৰঞ্জন দাস)**

অধিৱেশনৰ দ্বিতীয় দিনা অসম সাহিত্য সভাৰ মূল পতাকা উত্তোলন কৰা হ'ব। ইয়াৰ সৈতে সংগতি ৰাখি পতাকা বেদীৰ প্ৰথম চক্ৰত ৭৭ খন পতাকা আৰু দ্বিতীয় চক্ৰত ১০৮ খন পতাকা উত্তোলন কৰা হ'ব। ইয়াৰ পাছতে স্মৃতি তৰ্পণ, ছহিদ তৰ্পণ, স্মৃতিগ্ৰন্থ আৰু অন্যান্য গ্ৰন্থ উন্মোচনী সভা, জনগোষ্ঠীয় সাহিত্য সন্মিলন, জাতীয় বৌদ্ধিক সন্মিলন আদি অনুষ্ঠিত হ'ব। অধিৱেশনৰ তৃতীয় দিনা ধ্ৰুপদী অসমীয়া ভাষা শীৰ্ষক আলোচনা সত্ৰৰ পাছতে অসম সাহিত্য সভাৰ নৱনিৰ্বাচিত সভাপতি ড০ বসন্ত গোস্বামীক লৈ এটা বৰ্ণাঢ্য শোভাযাত্ৰা উলিওৱা হ'ব। ইয়াৰ পাছতে দিনৰ ১ বজাৰ পৰা প্ৰথমখন মুকলি সভা অনুষ্ঠিত হ'ব। অধিৱেশনৰ চতুৰ্থ দিনা বুৰঞ্জী সন্মিলন, লোক সাংস্কৃতিক সমাৰোহ, মুকলি সভা, যুৱ সংসদ সাংস্কৃতিক সন্মিলন অনুষ্ঠিত হ'ব। অধিৱেশনৰ পঞ্চম তথা অন্তিম দিনা অসমৰ জনগোষ্ঠীয় ছাত্ৰ যুৱ সন্মিলন আকাশ শীৰ্ষক মহিলা প্ৰতিভা বিকাশৰ অনুষ্ঠান, নাট্য সন্মিলন, অসম সাহিত্য সভাৰ বিভিন্ন বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হ'ব। সংবাদমেলত

প্ৰচাৰ উপ-সমিতিৰ সভাপতিগৰাকীয়ে জনায় যে এই অধিৱেশনথলীত স্থাপনৰ বাবে ৮৭ বৰ্গ ফুটৰ এটা বৃহৎ জাপি প্ৰস্তুত কৰি থকা হৈছে আৰু এই জাপিটোৰ জৰিয়তে লিমকা বুক অৱ ৰেকৰ্ডছ্ আৰু গীণিজ বুক অৱ ৰেকৰ্ডছত নাম অন্তৰ্ভুক্তিৰ বাবে চেষ্টা চলোৱা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাকে ধৰি বহু বিশিষ্ট ব্যক্তিক এই অধিৱেশনলৈ আমন্ত্ৰণ জনোৱা হৈছে বুলি উদ্যোক্তাসকলে কয়।

০০০০

ৰাজ্যৰ মুঠ ৩৫৪ খন চাহ বাগিছা চিকিৎসালয়ক আয়ুষ্মান আৰোগ্য মন্দিৰলৈ উন্নীতকৰণৰ বাবে আজি বুজাবুজিৰ চুক্তি স্বাক্ষৰ অনুষ্ঠান সম্পন্ন হয়। গুৱাহাটীত ৰাজ্যিক ভিত্তিত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহল আৰু চাহ তথা শ্ৰমিক কল্যাণ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাৰ উপস্থিতিত এই অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। এই চুক্তি অনুসৰি ৰাজ্য চৰকাৰে প্ৰতিখন বাগিছাত সুকীয়া চিকিৎসালয় নিৰ্মাণৰ কাম গ্ৰহণ কৰিব আৰু প্ৰতিখন চিকিৎসালয়ৰ বাবে একোজনকৈ সমুহীয়া চিকিৎসা বিষয়া নিয়োগ কৰা হ'ব। একেদৰে, চাহ বাগিচা কৰ্তৃপক্ষই নতুন চিকিৎসা ভৱন বা ইয়াৰ বিষয়া কৰ্মচাৰীসকলৰ বাবে আৱাস নিৰ্মাণৰ বাবে পৰ্যাপ্ত পৰিমাণৰ মাটি প্ৰদান কৰিব। চিকিৎসালয় সমূহত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অধীনত বিনামুলীয়া ঔষধ যোগান আৰু বিনামুলীয়া ৰোগ পৰীক্ষা আদিৰ ব্যৱস্থা কৰা হ'ব। এই চুক্তি সন্দৰ্ভত মন্ত্ৰী অশোক সিংহলে এইদৰে কয়ঃ-

## বাইট

ইয়াৰ অংশ হিচাপে তিনিচুকীয়া জিলাৰ ৮০ খন চাহ বাগিছা চিকিৎসালয় আৰু স্বাস্থ্য কেন্দ্ৰক আয়ুষ্মান আৰোগ্য মন্দিৰলৈ উন্নীত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই উদ্দেশ্যে আজি তিনিচুকীয়া জিলাৰ আয়ুক্ত স্বপ্নীল পাল আৰু ৮০ খন বৃহৎ চাহ বাগিছাৰ কৰ্তৃপক্ষৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। চৰাইদেউ জিলাতো আজি ২২ খন চাহ বাগিছাৰ চিকিৎসালয়ক আয়ুষ্মান আৰোগ্য মন্দিৰলৈ উন্নীতকৰণৰ বুজাবুজিৰ চুক্তি সম্পন্ন হয়।

০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মহাপ্ৰয়ানৰ স্থান মধুপুৰ সত্ৰ পৰিদৰ্শন কৰি আসন্ন মধুপুৰ উৎসৱ উদ্‌যাপন আৰু নিৰ্মালী প্ৰদান অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লয়। পশ্চিমবংগৰ কোচবিহাৰ জিলাৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীমধুপুৰ ধাম সত্ৰত বুঢ়িৰ পো গোবিন্দ আতৈৰ তিৰোভাৱ তিথিৰ লগত সংগতি ৰাখি অসম চৰকাৰৰ পৰ্যটন বিভাগৰ সৌজন্যত আৰু ধুবুৰী জিলা প্ৰশাসনৰ সহযোগত ২৯ জানুৱাৰীৰ পৰা ৩ দিনীয়াকৈ মধুপুৰ সত্ৰৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ২৯ জানুৱাৰীত কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানতে মালা নিৰ্মালী প্ৰদান কৰি বুঢ়াসত্ৰীয়া আৰু ডেকা সত্ৰীয়া পদত অধিস্থিত কৰা হ'ব।

০০০০

জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আজি নলবাৰীত ১৮০ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া কৰ্কট ৰোগ চিকিৎসালয়ৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে মন্ত্ৰীগৰাকীয়ে কয়, যে টাটা প্ৰতিষ্ঠানৰ সহযোগত অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেছনৰ দ্বাৰা পৰিচালিত হবলগীয়া এই চিকিৎসালয়খনৰ

নির্মাণকার্য শীঘ্রে সম্পূর্ণ হৈ উঠিব আৰু ইয়াৰ ফলত জিলাখন তথা ইয়াৰ কাষৰীয়া অঞ্চলৰ ৰোগীসকল উপকৃত হ'ব। তেওঁ কয়, যে অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেছনৰ কৰ্মচাৰীসকলে ফেব্ৰুৱাৰীৰ পৰা ঘৰে ঘৰে গৈ ৰোগী অনাৰ ব্যৱস্থা কৰিব। আজিৰ অনুষ্ঠানত নলবাৰী চহৰৰ সোণপুৰ অঞ্চলৰ ৫০ বছৰ বা তাতকৈ অধিক সময়ৰ বাবে বাস কৰি অহা পৰিয়ালসমূহক মাটিৰ দখলীস্বত্ত্ব প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। ইয়াৰ ফলত এই লোকসকলক চৰকাৰী আঁচনিৰ সুবিধা লাভৰ বাবে আবেদন কৰিবলৈ যোগ্য হৈ উঠিব।

০০০০

অসম চৰকাৰে ৰাজ্যত গো হত্যা নিষিদ্ধ কৰাৰ পৰিপ্ৰেক্ষিতত এটা সামাজিক মাধ্যমত গো হত্যাৰ দৃশ্য আপলোড কৰাৰ অভিযোগত গুৱাহাটী মহানগৰ আৰক্ষীয়ে ছজন লোকক গ্ৰেপ্তাৰ কৰিছে। ধৃত লোককেইজন কামৰূপ জিলাৰ ছয়গাওঁ আৰক্ষী থানাৰ অন্তৰ্গত আচলপাৰাৰ বাসিন্দা বুলি জানিব পৰা গৈছে। অসম পশুধন সংৰক্ষণ আইনৰ অধীনত হাতীগাওঁ আৰক্ষী থানাত এই সন্দৰ্ভত এটা গোচৰ ৰুজু কৰা হৈছিল।

০০০০

অসম চৰকাৰে আজি জ্যেষ্ঠ অধিবক্তা চিন্ময় প্ৰদীপ শৰ্মাক ৰাজ্যৰ অতিৰিক্ত মহাধিবক্তা হিচাপে নিযুক্তি দিছে। ৰাজ্য চৰকাৰৰ ন্যায়িক বিভাগে জাৰি কৰা নিৰ্দেশনাত শ্ৰীশৰ্মাই উচ্চতম ন্যায়ালয়ৰ গোচৰসমূহত অসম চৰকাৰৰ পক্ষক প্ৰতিনিধিত্ব কৰিব বুলি কোৱা হৈছে।

০০০০

চলিত বৰ্ষৰ দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱৰ আজি সামৰণি পৰে। গুণোৎসৱৰ এই পৰ্যায়ত চৰাইদেউ, ধেমাজি, গোলাঘাট, হাইলাকান্দি, হোজাই, যোৰহাট, তিনিচুকীয়া, শোণিতপুৰ, পশ্চিম কাৰ্বি আংলং, কামৰূপ মহানগৰ, ধুবুৰী, চিৰাং আৰু বাক্সা জিলাৰ বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বহিঃমূল্যায়ন কৰা হয়।

পৰিবহন তথা পাৰ্বত্য এলেকা উন্নয়ন বিভাগৰ মন্ত্ৰী যোগেন মহনে আজি ধেমাজী জিলাত শিক্ষাখণ্ডৰ অন্তৰ্গত নগৰ প্ৰাথমিক বিদ্যালয়ত গুণোৎসৱত অংশ লৈ শিক্ষক-শিক্ষয়িত্ৰী আৰু শিক্ষাৰ্থীসকলৰ সৈতে বাৰ্তালাপ কৰে। জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই গুণোৎসৱ অংশ হিচাপে আজি পুৱা বাক্সা জিলাৰ ৭০০ নম্বৰ খাৰুৱা প্ৰাথমিক বিদ্যালয় আৰু ইৰাগদাও উচ্চ মাধ্যমিক বিদ্যালয়ত বহিঃমূল্যায়ক হিচাপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰী, অভিভাৱক তথা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সৈতে মত বিনিময় কৰে। তেওঁ কয়, যে গুণোৎসৱ ব্যৱস্থাই ৰাজ্যখনৰ শিক্ষাখণ্ডৰ ইতিবাচক পৰিবেশ সৃষ্টি কৰি উন্নয়নৰ বাট বোলাত সহায় কৰি আহিছে। একেদৰে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি পশ্চিমবংগৰ দাতিকাষৰীয়া ধুবুৰী জিলাৰ গোলকগঞ্জৰ চিন্ময়ী বিদ্যালয় আৰু আগমণি শিক্ষাখণ্ডৰ অন্তৰ্গত চাগলীয়া মজলীয়া বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকসকলৰ সৈতে কথোপকথনত ভাগ লয়।

০০০০

তামুলপুৰ আৰক্ষীয়ে আজি জিলাখনৰ বিভিন্ন স্থানত জব্দ কৰা ভালেসংখ্যক নিষিদ্ধ নিচাযুক্ত দ্ৰব্য বিনষ্ট কৰে। তামুলপুৰৰ বৰখাটা শ্মশানত জিলা নিচাযুক্ত দ্ৰব্য বিনষ্ট সমিতিৰ সদস্যৰ উপস্থিতিত বিনষ্ট কৰা সামগ্ৰীৰ ভিতৰত ২০৭ দশমিক ৫ কিলোগ্ৰাম ভাং, ২৪ গ্ৰাম হেৰ'ইন, ৮ হাজাৰ ৫০০ নিচাযুক্ত দ্ৰব্যৰ বড়ি, ২ হাজাৰ

ব্ৰাউন ছুগাৰৰ পেকেট আৰু নিচা কৰিব পৰা কাহৰ জুলীয়া ঔষধৰ ৩৬৮টা বটল আছিল। এই নিচাযুক্ত দ্ৰব্যখিনিৰ বজাৰ মূল্য প্ৰায় একো কোটি ৬৫ লাখ টকা হ'ব বুলি অনুমান কৰা হৈছে।

০০০০

তিৱা স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰে আজি পৰিষদৰ ২০২২-২৩ বৰ্ষৰ ১০ লাখ টকা পুঁজিৰে নিৰ্মাণ কৰা মৰিগাঁও জিলা সাংবাদিক সন্থাৰ তৃতীয় মহলাৰ ভৱনটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত সভাত মুখ্য কাৰ্যবাহী সদস্যগৰাকীয়ে সাংবাদিক সন্থাৰ অত্যাধুনিক পুথিভঁৰাল আৰু অভিলেখাগাৰটো তিৱা স্বায়ত্তশাসিত পৰিষদৰ পৰা আগবঢ়োৱা হ'ব বুলি ঘোষণা কৰে।

০০০০

নগাওঁ জিলাৰ ৰূপহীহাটৰ ভকতগাওঁ খেলপথাৰৰ ওচৰত যোৱা নিশা আৰক্ষীৰ এটা দলে অভিযান চলাবলৈ যাওতে এটা ৫ জনীয়া ড্ৰাগছ মাফিয়াৰ দলে আৰক্ষীৰ দলটোক আক্ৰমণ কৰে। ড্ৰাগছ মাফিয়াৰ আক্ৰমণত আহত ৰূপহীহাট আৰক্ষী থানাৰ সহকাৰী উপ পৰিদৰ্শক চিন্ময় বৰুণ কোঁৱৰক অপহৰণ কৰিবলৈকো চেষ্টা চলায়। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে খলিলুৰ ৰহমান আৰু ৰাকিবুল হুছেইন নামৰ দুজন লোকক গ্ৰেপ্তাৰ কৰে যদিও আন তিনিজন ঘটনাস্থলীৰ পৰা পলায়ন কৰে।

০০০০

ভ্ৰমণকাৰী ইংলেণ্ডৰ বিৰুদ্ধে ভাৰতে আজি পাঁচখন টি-টুৱেণ্টি শৃংখলাৰ প্ৰথমখন খেলত কলকাতাৰ ইডেন গাৰ্ডেনত অৱতীৰ্ণ হৈছে। ভাৰতৰ অধিনায়ক সূৰ্য কুমাৰ যাদৱে টছত জিকি ইংলেণ্ডৰ অধিনায়ক জ'ছ বাটলাৰক প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ জনায়। ভাৰতীয় দলত বহুদিনৰ বিৰতিৰ মূৰত প্ৰবীন পে'চ বলাৰ মহম্মদ শ্বামীক অন্তৰ্ভুক্ত কৰা হৈছে। শ্বামীৰ লগতে অৰ্শ্বদীপ সিং আৰু হাৰ্ডিক পাণ্ডিয়াই ভাৰতীয় পে'চ বলিং আক্ৰমণৰ নেতৃত্ব দিব। অক্ষৰ পেটেলক স্পিনাৰ হিচাপে দলত অন্তৰ্ভুক্ত কৰা হৈছে। অষ্ট্ৰেলিয়া ভ্ৰমণত বিপৰ্যয়ৰ সন্মুখীন হোৱা ভাৰতীয় ক্ৰিকেট দলে সূৰ্য কুমাৰ যাদৱৰ নেতৃত্বত টি-টুৱেণ্টি শৃংখলাত হেৰুৱা মৰ্যাদা ঘূৰাই আনিব পাৰিব বুলি আশা কৰা হৈছে।

০০০০

সমাপ্ত